# 2014

## ASSAMESE

## ( Elective )

Paper : 5.2

**( Asomiya Natak )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা বাক্যত উত্তৰ দিয়াঁ : ১×১০=১০

(ক) মহাপুৰুষ শংকৰদেৱৰ নাটসমূহৰ ভিতৰত কোনখন নাটকক নাট্যধৰ্মত শ্ৰেষ্ঠ বুলিব পাৰি ?

(খ) প্ৰথম অসমীয়া ৰামায়ণী নাটখনৰ নাম লিখাঁ।

(গ) কাৰ অনুৰোধত মহাপুৰুষ শংকৰদেৱে 'ৰামবিজয়' নাটখন ৰচনা কৰিছিল ?

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা এখন কাব্যধৰ্মী নাটকৰ নাম লিখাঁ।

(ঙ) "অঁ নোহোৱা হৈছেতো। বাগৰি-বাগৰি এইখিনি ওলাইছহি। সৰু মুখত বৰ কথা ভাল নহয় দেইবা, বুজিছ ?" কথাষাৰ কোনে কৈছিল ?

(চ) চন্দ্ৰ মহাজনৰ মহৰীজনৰ নাম কি?

(ছ) "লৈছিলোঁ, দৈৱকীৰ খোজ-খবৰ বহুত লৈছিলোঁ।" দৈৱকী কোন?

(জ) ৰামচন্দ্ৰক আনিবলৈ যোৱা ঋষিগৰাকীৰ নাম কি?

(ঝ) আগৰৱালাদেৱৰ দ্বাৰা ৰচিত নাটৰ সংখ্যা কিমান?

(ঞ) জগৰুৰ পত্নীৰ নাম কি?

২। চমুকৈ উত্তৰ দিয়াঁ : ২×৫=১০

(ক) শংকৰদেৱে অংকীয়া নাট ৰচনা কৰাৰ আগতে অসমত প্ৰচলিত দুটা লোক-নাট্যানুষ্ঠানৰ নাম লিখাঁ।

(খ) ৰামচন্দ্ৰই সিদ্ধাশ্ৰমত সুকলমে যজ্ঞ সমাপনৰ কাৰণে কোন কোন ৰাক্ষসক বধ কৰিছিল?

(গ) "'চুপ থাক, চুপ থাক' নহ'লে পিষ্টলৰ গুলিৰে কলিজা উৰুৱাই দিম।" কথাষাৰ কোনে, কাক কৈছিল?

(ঘ) লহতীয়া আৰু কুন্‌কী কি?

(ঙ) লভিতাৰ দুগৰাকী বান্ধবীৰ নাম লিখাঁ।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবাঁ : ৫×৪=২০

(ক) "হে ঋষিৰাজ, ওহি বালক দুহু অদ্ভুত মধুৰ মূৰুতি দেখি পৰম আনন্দ ভেলোঁ। কাহেৰ কুমাৰ, কিবা দেৱ, কিবা মনুষ্য হামু বুজয়ে নাপাৰি।" এই কথাখিনি কোনে, কাক, কিয় কৈছিল, বুজাই লিখাঁ।





(খ) 'লভিতা' নাটকত অংকিত ইলাহী বকছ চৰিত্ৰটোৰ বিষয়ে লিখাঁ।

(গ) "তহঁত বিপদে পালাব খুজিছ? গাহৰি, কুকুৰাৰ মতন গড়ালে সোমাই নাথাকিবি। হাতে হাত লগা! বুকু ডাঠ কৰ, তহঁতক যি অন্যায় কৰিছে প্ৰতিবাদ কৰ, অন্যায় মানি নল'বি।" কথাখিনি 'মাদল' নাটকত কোনে, কি প্ৰসঙ্গত কৈছিল, বুজাই লিখাঁ।

(ঘ) 'হাতী আৰু ফান্দী' নাটকত অংকিত পমী চৰিত্ৰটোৰ মাজেদি শোষণৰ বিৰুদ্ধে নাৰী মনৰ স্বকীয় অভিব্যক্তি কিদৰে প্ৰকাশ পাইছে, চমুকৈ লিখাঁ।

(ঙ) "আজি-কালিৰ ডেকা ল'ৰা। আজি-কালি উপজিছা, সেই বুলিয়েইনে? অকল আজি-কালি উপজিলেই আজি-কালিৰ ল'ৰা হ'ব নোৱাৰি। তোমাৰ মনটো আজিৰ দিনতো আজি দুকুৰি বছৰ আগৰ ডেকাৰ দৰে।" কথাখিনিৰ তাৎপৰ্য বিচাৰ কৰাঁ।

(চ) ৰাম গোস্বামীৰ 'মাদল' নাটখনৰ বিক্ৰম চৰিত্ৰটোৰ বিষয়ে লিখাঁ।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবাঁ : ১০×৪=৪০

(ক) "অংকীয়া ভাওনাৰ আৰ্হি সংস্কৃত নাটক হ'লেও ৰচনাৰীতি আৰু অভিনয়-কৌশল বহু পৰিমাণে স্বতন্ত্ৰ।" এই কথাষাৰৰ আলোচনা কৰাঁ।

(খ) 'ৰামবিজয়' নাটৰ ৰস সম্পৰ্কে এটি নিবন্ধ যুগুত কৰাঁ।

(গ) "'লভিতা' আদৰ্শমূলক অসমীয়া ছোৱালীৰ চৰিত্ৰ নহয়।" এই উক্তিৰ আধাৰত লভিতা চৰিত্ৰটি আলোচনা কৰাঁ।

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাই গতানুগতিক নাট্য-ৰীতিৰ পৰা কেনেদৰে আঁতৰি আহিছে, 'লভিতা' নাটকৰ আধাৰত বিচাৰ কৰাঁ।

(ঙ) 'মাদল' নাটকৰ পটভূমি কি? নাটকখনত চৰিত্ৰ ৰূপায়ণত নাট্যকাৰ কিমানদূৰ সফল হৈছে, বিচাৰ কৰাঁ।

(চ) 'হাতী আৰু ফান্দী' নাটকৰ কাহিনীভাগৰ মাজেদি সমসাময়িক সমাজৰ অৰ্থনৈতিক, সামাজিক আৰু শৈক্ষিক দিশৰ চিত্ৰ কেনেদৰে অংকিত হৈছে, আলোচনা কৰাঁ।

(ছ) 'মাদল' নাটখনৰ মাজেৰে নাট্যকাৰে শ্ৰেণীসংগ্ৰামৰ ছবিখন কিদৰে দাঙি ধৰিছে, আলোচনা কৰাঁ।

★★★